অধ্যক্ষ মহোদয়, ১৯৭৫ চনৰ ৩১ জানুৱাৰী তাৰিখৰ 'অসম ট্ৰিবিউন' কাকতত প্ৰকাশিত ১০০০ মানুহৰ ষ্টাৰভেচন দেথৰ যি বাতৰিৰ প্ৰতি দৃষ্টি আকৰ্ষিত কৰা হৈছে সেইটো উপযুক্ত হৈছে। যোৱা ৬ টা বানপানীয়ে সেই অঞ্চল কেইটা বৰ বেয়াকৈ দুৰ্গতি মুখলৈ ঠেলি দিছে। এই কথাটো একেবাৰে সত্য। আৰু তাত থকা এই দৰিদ্ৰ লোকসকলে নানা কষ্টৰ সন্মুখীন হব লগা হৈছে। আমাৰ গোস্বামী ডাঙৰীয়াই কোৱা যি সকল মাটিহীন কৃষি বনুৱা আছে তেখেত সকলৰ অতিশয় কষ্ট হৈছিল, এইটো কথা সত্য। খাবলৈ নাপাই অনাহাৰ জনিত কাৰণত নতুন সংজ্ঞা কৰাৰ কথা গোস্বামী ডাঙৰীয়াই কৈছে। এই বিষয়ে মই পাৰ্গত নহয়। কিন্তু আমাৰ হাতত যি ৰিপোৰ্ট আছে সেইটো হব পাৰে বৃটিছে কৰি যোৱা সংজ্ঞা, কিন্তু অনাহাৰত মৃত্যু হোৱা নাই। তথাপি অসম চৰকাৰে বৰপেটা মহকুমাত ৭ লাখতকৈ অধিক টকা সাহাৰ্য্য মূলক কামত এই সময়ছোৱাত দিছে। আৰু ইতিমধ্যে যি সকল লোকৰ ঘৰবাৰী গড়া খহনীয়াত পৰি বিনষ্ট হৈছে তেনে লোকৰ ভিতৰত ৫০০ মানুহক মাটি দিয়াৰ বন্দবস্ত হৈছে। আৰু মনদিয়া মৌজাৰ আলিগাওঁ পথৰ নামত প্ৰায় ৫০০ মানুহক বসতি দিয়া হব। বাকী লোকসকলক ইতিমধ্যে আন আন ঠাই বিচাৰি তাত পুনৰ্বাসন দিয়াৰ বাবে যত্ন কৰা হৈছে। এই অৰ্থ নৈতিক দুৰ্যোগৰ সময়ত

অভাৱৰ আৰু নানা কষ্টৰ সন্মুখীন হোৱা লোক সকলৰ কথা চৰকাৰে পাহৰি যোৱা নাই। ইতিমধ্যে অসম চৰকাৰে সেই অঞ্চল বিলাকত অধিক পৰিমাণে সাহার্য্য মূলক আচনিৰ দ্বাৰা কাম কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। সেই অঞ্চল বিলাকত টেষ্ট ৰিলিফ আদিও দিয়া হৈছে। আৰু উন্নত ধৰণে তেওঁলোকক পুনৰ বাসন দিয়াৰ বাবে চেষ্টা কৰা হৈছে।

## RULING BY THE SPEAKER

Mr Speaker : Hon. Members Shri Dulal Chandra Baruah and others tabled an adjournment motion to discuss the serious arising out of the alleged inhuman attrocities committed by the police on Shri Biswa Goswami, General Secretary, Socialist Party, Assam at Borjhar on 5th instant while he was about to emplane for Delhi to meet Shri Jay Prakash Narayan. Shri D. C. Baruah and many other hon. members in support of their contention submitted that the attrocities committed by police on Shri Biswa Goswami had violated the fundamental rights and individual liberty. The Minister, Parliamentary Affairs had disputed the contention that police committed inhuman attritoies on Shri Biswa Goswami as alleged by the members of the opposition.

It is an well-accepted proposition that when Government dispute the facts stated in the notice of the Adjournment Motion the Speaker has to accept the Government version of the fact. The Hon. members could not produce any other factual basis except the press report which has not been admitted by the Government. It has been held several times before, that arrest made in due administration of Law is not a fit subject for an adjournment motion and since Govt. has disputed the alleged attrocity committed on Shri Biswa Goswami

I rule it out of order.

Shri Dulal Chandra Barua : Mr. Speaker Sir, we are bound

to bow down to your ruling. But the whole thing is we are distressed with the action of the Government in connection with the arrest of the Socialist leader, Shri Biswa Goswami. Now can we not expect a statement from the Hon'ble Chief Minister under what circumstances this leader was arrested ?

Shri Sarat Chandra Sinha, (Chief Minister) : Sir, no statement will be possible from the Government.

শ্ৰীবদন তালুকদাৰ ঃ অধ্যক্ষ মহোদয়, আপুনি কৈছে যে, পুলিচৰ ফালৰ পৰা কোনো ৰকমৰ অট্ৰচিটি দেখুৱা হোৱা নাই। কিন্তু ইয়াতে এটা ডাঙৰ কথা চলি আছে। চৰকাৰে এই প্ৰশ্নৰ ওপৰত কিয় এটা ষ্টেটমেণ্ট দিব নোৱাৰে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এই কথাটো ইমান চিৰিয়াচ যে, এতিয়া মই এই বিষয়ে এটা ষ্টেটমেণ্ট দিয়া কঠিন হব। কাৰণ পুলিচৰ তদন্তৰ কাম চলি আছে, গতিকে মই এটা ষ্টেটমেণ্ট দিলে হয়তো পুলিচৰ তদন্তৰ কামত ব্যাঘাট হব পাৰে। গতিকে মই ভাবো যে, এই ষ্টেটমেণ্ট দিয়া উচিত নহব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, এই কথাটো চিৰিয়াচ কাৰণেই আমাক ষ্টেটমেণ্ট দিব লাগে। এই বিষয়ত আমাক এদজৰমেণ্ট মোচন আনিবলৈ নিদিলে যেতিয়া আৰু মুখ্যমন্ত্ৰীয়ে নিজেই এইটো কথা যেতিয়া চিৰিয়াচ বুলি কৈছে তেনেস্থলত এইটোৰ এটা ষ্টেটমেণ্ট মই মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰো।

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো এটা নিশ্চয় চিৰিয়াচ কথা। কাৰণ এজন পলিটিচিয়ানক গুৰুত্ব অপৰাধত এৰেষ্ট কৰা হৈছে। এই বিষয়ে পুলিচে তদন্ত কৰি আছে। গতিকে মই এটা ষ্টেটমেণ্ট দিয়াতো একেবাৰে উচিত নহব। দিলে তেওঁলোকৰ বিচাৰৰ তদন্তত ব্যাঘাটহে হব পাৰে। গতিকে, মই এই বিষয়ে কোনো ষ্টেটমেণ্ট দিব নোৱাৰো।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ঃ অধ্যক্ষ মহোদয়, এইটো এটা চিৰিয়াচ অফেন্স বুলি মন্ত্ৰী মহোদয়ে নিজে কৈছে। আজি যিটো বেচিচত চচিয়েলিষ্ট পাৰ্টিৰ সাধাৰণ সম্পাদক জনক বেলট পেপাৰৰ বাবে এৰেষ্ট কৰা

হল সেই একেটা কাৰণতে সদনৰ মজিয়াত বেলত পেপাৰ দিয়াৰ বাবে আমাৰ ১৪ জন বিৰোধী দলৰ এম, এল, এক গ্ৰেপ্তাৰ কৰিবলৈ চৰকাৰৰ সাহস নহল কিয় ? তেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাৰ গুৰুত্ব বুজা নাছিল কিয় ? কিন্তু বিশ্ব গোস্বামীৰ হাতত ওলোৱাৰ কাৰণেই এই কথাৰ গুৰুত্ব বেছি হল অথচ আমি ১৪ জন এম, এল, এই একে বেলট পেপাৰ দিয়াৰ বাবে কিয় মন্ত্ৰী মহোদয়ে ঘটনাৰ গুৰুত্ব উপলব্ধি কৰিব নোৱাৰিলে ? আমি যেতিয়া সভা স্থগিত প্ৰস্তাৱটো আলোচনা কৰিবলৈ ওলাইছিলো তেতিয়া এইটো এটা কেন্দ্ৰীয় বিষয় বুলি এইটো আলোচনা কৰিবলৈ দিয়া নহল । আৰু এতিয়া ১৪ জন এম, এল, এই যেতিয়া বেলট পেপাৰ এই সদনত দেখুৱালো তেতিয়া ইয়াৰ অকনো গুৰুত্ব নাইকীয়া হৈ পৰিল । কিয় চৰকাৰে এই ১৪ জন এম, এল, এ গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে ? বিশ্ব গোস্বামীয়ে জয়প্ৰকাশ নাৰায়নক লগ কৰিবলৈ যোৱাৰ কাৰণে ইয়াৰ গুৰুত্ব বেছি হলনেকি ? নে আজি কালি বেলট পেপাৰ বাহিৰত ওলোৱাতো একেবাৰে সাধাৰণ কথা হৈ পৰিল নেকি ? যাৰ কাৰণে আমাকো বেলট পেপাৰ উলিয়াই দিয়াৰ বাবে এৰেষ্ট কৰিবলৈ সাহস নকৰিলে ?

অধ্যক্ষ মহোদয়, আমাৰ অসমৰ ৰাইজে আৰু সদনৰ সকলো সদস্যই আপোনাৰ ফালেই চাই আছে। চৰকাৰে যি পদ্ধতিৰে গণতন্ত্ৰ ভাঙি ছিঙি চুৰমাৰ কৰিবলৈ ওলাইছে বৰপেটা নিৰ্ব্বাচনত যি কৰিলে আৰু তাৰ কাৰণে আমাৰ ইয়াত বিধান সভাৰ মজিয়াত সোমবাৰে মাননীয় সদস্য বদন চন্দ্ৰ তালুকদাৰ ডাঙৰীয়াই যি বেলট পেপাৰ দাঙি ধৰিলে সেই সংক্ৰান্তত চৰকাৰ পক্ষৰ পৰা কোনো গুৰুত্ব নিদি সেই বেলত পেপাৰ যেতিয়া বিশ্ব গোস্বামী ডাঙৰীয়াই দিল্লীলৈ নিৰ্ব্বাচন আয়োগৰ ওচৰত, পাৰ্লিয়ামেণ্টত দাখিল কৰিবলৈ ওলাই বৰঝাৰ বিমান কোঠ পায়গৈ তেতিয়া তাত তেখেতক এৰেষ্ট কৰিলে। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত মূখ্যমন্ত্ৰীৰ পৰা এটা ষ্টেটমেণ্ট বিচাৰিছো। তেতিয়া বেলট পেপাৰ আমি ১৩৪ জন এম-এল-এই দাখিল কৰাতো তাৰ গুৰুত্ব নাথাকিল অথচ বিশ্ব গোস্বামীয়ে দিল্লীলৈ লৈ যাবলৈ খোজোতে তেতিয়া গুৰুত্ব বুজি পালে, যদি গুৰুত্বই আছিল তেনেহলে আমাক এই ১৪ জন এম-এল এক এৰেষ্ট নকৰিলে কিয় ? ইয়াৰ এটা ষ্টেটমেণ্ট মুখ্যমন্ত্ৰীৰ পৰা আমি বিচাৰিছো ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, ইয়াত দুটা কথা চাব লাগিব। বিধান সভাত বেলট পেপাৰ দাখিল কৰা বিষয়টো গুৰুত্বপূৰ্ণ হয় নে নহয় সেইটো কথা প্ৰথম চাব লাগিব আৰু তাৰ পিচত আন কথা হ'ল আমি ক'ৰ পৰা পাইছো সেইটো পিচৰ কথা, আমি যতেই নাপাওঁ কিয় আমি ইয়াত দেখুৱাইছো আৰু সেই বেলট পেপাৰ সঁচা বেলট পেপাৰ। যোৱা সোমবাৰে ইয়াত বিধান সভাৰ মজিয়াত দেখুৱা হৈছে কিন্তু চৰকাৰ পক্ষৰ পৰা তাত কোনো গুৰুত্ব আৰোপ কৰা নহল। কিন্তু যেতিয়া বিশ্ব গোস্বামী ডাঙৰীয়াই দিল্লীৰ নিৰ্ব্বাচন কমিচনৰ আগত, পাৰ্লিয়ামেণ্টৰ আগত দাখিল কৰিবলৈ গৈছিল তেতিয়া বৰঝাৰ বিমান কোঠত বেলট পেপাৰ লৈ যাব খোজা, ইলেকচন পেটিচন লৈ যাব খোজা বিশ্ব গোস্বামী ডাঙৰীয়াক এৰেষ্ট কৰিলে। সেইদিনাখন কিয় এই কথাটো গুৰুত্বপূৰ্ণ বুলি ভবা নহল ? এই গোটেই কথাটোৰ এটা ষ্টেটমেণ্ট আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা দাবী কৰিছো।

( সদনত কেবাজনো সদস্যই কবলৈ আৰম্ভ কৰে ঃ অলপ গোলমলীয়া অৱস্থাৰ সৃষ্টি হয়। )

অধ্যক্ষ ঃ আপোনালোকে আলোচনা বিচাৰিছে নেকি ?

( ভইচ ঃ আমাক ষ্টেটমেণ্ট লাগে )

**Mr. Speaker : You may give a short Notice question that will be considered.**

( সদনত গোলমলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। একো ভালকৈ শুনা নাযায়। )

অধ্যক্ষ ঃ ষ্টেটমেণ্ট দিয়াৰ কথা কৈছে গতিকে তদন্ত কৰি ষ্টেটমেণ্ট এটা -

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ কোন দিনাৰ পৰা বিষয়টোৰ গুৰুত্ব বাঢ়িল ? সোমবাৰে বিধান সভাৰ মজিয়াত দাঙি দেখুৱাওঁতে গুৰুত্ব বুজি নাপালে অথচ তাৰ পিচত কোন দিনাৰ পৰা সেই বেলট পেপাৰৰ গুৰুত্ব বাঢ়িল। সেই দিনা মুখ্যমন্ত্ৰী শুই আছিল নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ চাৰ, সকলো কথা সীমা ৰাখি কব লাগে আৰু বুজি লৈহে কব লাগে। যেতিয়া ডেপুটি স্পীকাৰে ৰুলিং দিছিল যে মোচন

কুল্ডদ আউট; তেতিয়া আৰু এক্সিবিট কৰাৰ কথা নাহে। উঠিবই নোৱাৰে কিয়নো মোচনেই এলাও নহল।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : এইটো ব্ৰীচ অব প্ৰিভিলেজ।

শ্ৰীৰামচন্দ্ৰ শৰ্মা : তিনি তাৰিখতে বেলট পেপাৰ দেখুওৱা হৈছিল ইমান দিনে কি কৰিছিল ?

Shri Sarat Ch. Sinha (Chief Minister) : I insist that it is the fact (interruption). I depindtely say that the papers was never exhibited. They aware going out and just waring.

শ্ৰীসোনেশ্বৰ বৰা : এইষাৰ কথা বিধান সভাৰ নিচিনা পবিত্ৰ সদনত মুখ্যমন্ত্ৰীৰ নিচিনা লোক এজনে কৈছে তেখেতে সঁচা কথা বুলি বুকুত হাত দি কব পাৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : সঁচা কৈছো নে মিছা কৈছো সেইটো সদনে জানিব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : আমাৰ ফালৰ পৰা মাননীয় সদস্য শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ডাঙৰীয়াই বেলট পেপাৰ বিলাক দাঙি দেখুৱাইছিল তেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই মন কৰা নাছিলনেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : আমি দেখা নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : এনেকৈ হলে গণতন্ত্ৰ বাচি নাথাকে।

( সদনত গোলমাল আৰম্ভ হয়। কেবাজনো সদস্যাই একেলগে কবলৈ ধৰে, কাৰো মাত স্পষ্টকৈ ধৰিব পৰা নহল। )

Mr. Speaker : I shall have to adjourse the House. You speak one by one.

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, সঁচাকৈ এইটো দুখৰ কথা যে সদনৰ দলপতিয়েও সঁচা কথা এষাৰ কবলৈ সাহস নোহোৱা হ'ল। এই

চককাৰৰ সঁচা কথা কবলৈ শক্তি নাই। নিজৰ চাল বচাবলৈ বুলি মুখ্যমন্ত্ৰীৰ নিচিনা সদনৰ দলপতি এজনেও সত্যৰ অপলাপ কৰিবলৈ ধৰিলে আমাৰ গণতন্ত্ৰ কেনেকৈ বাচি থাকিব পাৰে। সিদিনা বেলট পেপাৰ সদনত দেখুওৱা স্বত্বেও কোনো ফালৰ পৰা বিচৰা নাই, চেয়াৰৰ ফালৰ পৰাও বিচৰা হোৱা নাছিল। গতিকে বেলট পেপাৰৰ গুৰুত্ব তেতিয়া নাছিল কিন্তু কোন দিনাৰ পৰা গুৰুত্ব বাঢ়িল আৰু সেই গুৰুত্ব উপলব্ধি কৰিছে বিশ্ব গোস্বামীক বৰঝাৰ বিমান কোঠত গৈ এৰেষ্ট কৰিবলগীয়া হ'ল। এই সকলোবিলাক কথা কাগজে-পত্ৰে বহুলভাৱে প্ৰচাৰ হৈছে কিন্তু আজিলৈ মুখ্যমন্ত্ৰীয়ে কিয় অনুসন্ধান নকৰিলে আৰু সিদিনা কোনো গুৰুত্ব আৰোপ নকৰি বিশ্ব গোস্বামীয়ে যেতিয়া দিল্লীলৈ এই সকলোবিলাক কথাৰ মুখা খুলি দিবলৈ বুলি দিল্লীলৈ ওলাল তেতিয়া তেওঁক এৰেষ্ট কৰিলে। যাতে মুখা খুলি দিবগৈ নোৱাৰে সেই পথ বন্ধ কৰিবৰ কাৰণেহে বিশ্ব গোস্বামীক এৰেষ্ট কৰা হল। গতিকে মই আপোনাক অনুৰোধ কৰিছো যেন গণতন্ত্ৰ ৰক্ষা কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে। আৰু মুখ্যমন্ত্ৰীয়ে সংখ্যাত তেখেতসকল সৰহ কাৰণে এই বিলাক কৰিব পাৰে কিন্তু মই সাৱধান কৰি দিছো যে ইয়াৰ কাৰণে সময় আছিছে আৰু সেই বিচাৰ সময়ে কৰিব। মুখ্যমন্ত্ৰীয়ে সত্যৰ অপলাপ কৰা কথাও সময়ে বিচাৰ কৰিব।

অধ্যক্ষ ঃ আপুনি বহক। আৰু বাকী সদস্যকো কবলৈ দিয়ক।

**Shri Charan Narzary** : We have been demanding only a statement from the Chief Minister because he has himfelf admitted that the matter is serious which concerns the subsequent elections. But I say it concerns the functioning of democracy itself. When the Chief Minister is to give a statement why he is afraid of giving a statement. If his conscience is clear ? We demand from the Chief Minister if he is a democrat himself, if he claims to be a democrat then there should not be any reason why he should hastitate in giving a statement in the floor of the House.

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ঃ— মাননীয় অধ্যক্ষ মহোদয়, যোৱা সোমবাৰে যেতিয়া মাননীয় সদস্য শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ডাঙৰীয়াই এই

সদনত বেলট পেপাৰ উত্থাপন কৰি দেখুৱা স্বত্বেও নাই দেখুৱা বুলি কৈছে কিন্তু এইটো কথা কেৱল অসমৰে নহয় ভাৰতবৰ্ষৰ কুৰি খন মান বাতৰি কাকতত প্ৰকাশ পাইছে আৰু বিধান সভাত বদন চন্দ্ৰ তালুকদাৰ ডাঙৰীয়াই বেলট দাঙি ধৰা বুলি এটা আলোড়ণৰ সৃষ্টি হৈছে। তেনে অৱস্থাতো অসম চৰকাৰৰ মুখ্য মন্ত্ৰীৰ ফালৰ পৰা কোনো কনট্ৰাডিকচন কৰা হোৱা নাছিল। আনকি বেলট পেপাৰ দাঙি ধৰা বাবে ১৪ জন এম-এল-এক গ্ৰেপ্তাৰো কৰা হোৱা নাছিল। অৰ্থাত্ তেতিয়া বিষয়টোৰ গুৰুত্ব বুজাই নাছিল। কিন্তু যেতিয়া বিশ্ব গোস্বামীৰ হাতত সেই বেলট পেপাৰ আৰু ইলেকচন পেটিচন ইত্যাদি চিক্ৰেট ডকুমেণ্ট দিল্লীলৈ বুলি পঠিয়াই দিয়া হয় তেতিয়া স্পেচিয়েল পুলিচ বাহিনী পঠিয়াই শ্ৰীগোস্বামীক বৰঝাৰ এয়াৰপোৰ্টত এৰেষ্ট কৰা হ'ল। চুপ্ৰিম কোৰ্টত, নিৰ্ব্বাচনী আয়োগৰ ওচৰত আৰু পাৰ্লিয়ামেণ্টত দাখিল কৰিবলৈ যাওঁতে শ্ৰীগোস্বামীক এৰেষ্ট কৰা হ'ল। অথচ সেই বেলট পেপাৰ সোমবাৰেই এই বিধান সভাৰ মজিয়াত দাখিল কৰা হৈছিল।

( ভইচ ঃ দাখিল কৰা নাই )

সোমবাৰে দাখিল কৰিছিল আৰু অসমৰ বাতৰি কাকত সমূহত এই কথাৰ—

( ভইচ ঃ দাখিল কৰা নাই )

( ভইচ ঃ দেখুৱাইছে। সদনত গোলমাল হয়। সদস্যৰ মাত ভালকৈ শুনা নযায়। )

Shri Charan Narzary:— Are we blind ?

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ— অধ্যক্ষ মহোদয়, আৰ ইউ ব্লাইণ্ড এইটো আনপাৰ্লিয়ে মেণ্টৰী নহয় জানো ? এইটো উঠাই লব লাগে।

( সদনত গোলমাল চলি থাকে )

অধ্যক্ষ ঃ— আপোনালোকে আলোচনা বিচাৰে নে গোলমাল কৰি থাকিব বিচাৰে ? এনেকৈ থাকিলে মই সদন স্থগিত ৰাখিবলৈ বাধ্য হম।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ঃ— বিস্ব গোস্বামীক যি কাৰণে এৰেষ্ট কৰিলে সেই বেলট পেপাৰ এই বিধান সভাত সোমবাৰেই দেখুৱা হৈছিল কিন্তু

তেতিয়া তাত কোনো ইম্প'ৰটেন্স নিদিলে।

( সদনত গোলমাল আকৌ আৰম্ভ হয়। কোনো সদস্যৰ মাত শুনা নাযায়। বহুত সদস্যই একেলগে কবলৈ ধৰে।)

অধ্যক্ষ :— আপোনালোকে যদি এনেকৈ থাকে তেন্তে সদন স্থগীত ৰাখিবলৈ বাধ্য হম।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— মাননীয় সদস্য শ্ৰীচৰণ নাৰ্জাৰীয়ে 'আৰ ইউ ব্লাইণ্ড' বুলি কৈছে, এইটো উঠাই লব লাগে।

অধ্যক্ষ :— যদি কৈছে এইটো উদ্ৰ কৰিব।

Shri Lakshmi Kanta Saikia : Sir. Narzari has said are you blind ? Is it Parliamentary ?

(Interruption)

Shri Syed Ahmed Ali : There is a point of order Sir.

Shri Charan Narzari : When you decided that you did not see the ballot paper and if I say are you blind then where is the objection ?

(Interruption)

Mr. Speaker : Sit down. If you are not cooperative how can I conduct, all of you stand up at a time.

Shri Lakshmi Kanta Saikia : Sir. Narzari has said are you all blind. This is unparliamentary.

Shri Charan Narzari : The ballotpapers have been exhibited here and the members have denied to have seen it. If it is unparliamentary, Sir, I withdraw. But Biswadev Goswami was going to file an election petition and he has been arrested in the aerodrome and has been detained in the Hazat because some ballot papers were found with him.

(Interruption)

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ— এই কথাটো এটা গুৰুত্বপূৰ্ণ কথা আৰু আমাৰ সকলোৱে আগ্ৰহশীল হৈ আছো। গতিকে এই প্ৰসঙ্গত এটা ষ্টেতমেণ্ট দিব লাগে। নিৰ্ব্বাচনৰ বাকচত ভোটৰ ঠাইত ভূত সোমাই গ'ল আৰু তাকেই আমি কৈ আছো কিন্তু আজিলৈকে মুখ্যমন্ত্ৰীয়ে তাৰ তদন্তৰ কি ব্যৱস্থা কৰিছে তাকে আমি ষ্টেটমেণ্ট হিচাবে বিচাৰিছো। ইয়াৰ ফলত যি ৰাজনৈতিক পৰিস্থিতি হব সেই পৰিস্থিতিয়ে গাওঁ ভূই সকলোতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব। গতিকে মূখ্যমন্ত্ৰীয়ে ইয়াৰ এটা ষ্টেটমেণ্ট দিব লাগে। আজিলৈ কি কি অৱস্থা হৈছে তাক ষ্টেটমেণ্টত বৰ্ণাই দিব লাগে।

Shri Badan Ch. Talukdar : Sir, a point oforder, Sir. one member, Hon'ble Mr. Pegu has insulted my friend Soneswar Bora by saying he is using 'Gamcha' he is a 'Gamchawala'. This is an insult. I have heard it, myself. He should withdraw this remark.

Shri Mal Ch. Pegu : Sir, I cannot make such remark.

শ্ৰীচৈয়দ আহমেদ আলী : সেইদিনা যেতিয়া সভা স্থগিত প্ৰস্তাৱ উথাপন কৰিবলৈ বিচৰা হৈছিল তেতিয়া উপাধ্যক্ষই সেই প্ৰস্তাৱ নাকচ কৰিছিল গতিকে তেতিয়া আৰু বেলট পেপাৰ বিচৰাৰ কথা নাহে। বেলট পেপাৰ এক্সিবিট কৰাৰ কথা নাহে কিয়নো দি ম্যাটাৰ ওৱাজ এণ্ড দিয়াৰ'

(সদনত গোলমালৰ সৃষ্টি হয়। কেবাজনো মাননীয় সদস্যই একেলগে কবলৈ উঠে। কাৰো মাত শুনা নাযায়।)

অধ্যক্ষ : এতিয়া এখেতসকলে ষ্টেটমেণ্ট বিচাৰিছে।

শ্ৰীচৈয়দ আহমেদ আলী : এইটোৱে কথাই আমাৰ ফালৰ পৰা কোৱা হৈছে যে ষ্টেটমেণ্ট দিব নোৱাৰিব। কিয়নো কথাটো আছিল জোকাৰী জোকাৰী দেখুৱালেও কোনো বেলট পেপাৰ সদনত চাবমিট কৰা নাছিল। আৰু তেনে অৱস্থাত 'ইউ ক্যান নট ফোৰ্চ মি টু প্লেচ ইট' মাননীয় সদস্যই নিজৰ হাতত ৰাখি জোকাৰি জোকাৰি কৈছিল কিন্তু সদনত চাবমিট নকৰিলে কোনেও তেখেতক প্লেচ কৰিবলৈ

ফোচ কৰিব নোৱাৰে। তাতে যদি সভা স্থগিত প্ৰস্তাৱ গ্ৰাহ্য কৰিলেহেতেন তেনেহলে বেলট পেপাৰ চাবমিট কৰাৰ কথা আহিলেহেতেন।

You connot force me to produce it, unless I voluntarily produce and exhibit. Surely that matter would have been enquired on that very day. This is redundant. Now the second point is, Sir, the Chief Minister has already explisned the matter. Firstly, it is a subjudiced matter, enquiry through police and other sources, is going on. It is a criminal offence and the offender should not be allowed to escape, otherwise there woud be no law in the land. Not only under I. P. C. under Indian Secret Documents Act, Section 5 the offence is Punishable. In is an absurd thing and in view of the seriousness of the case. the Govt. is not bound to give any statement.

Mr. Speaker : I have closed the discussion. I have allowed 20 minutes for this discussion.

শ্ৰীসোণেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, আগতে কৈছিল কবলৈ দিম। মই সুধিছিলো মই আগেয়ে কম নেকি ? আপুনি কৈছিল তেখেতে কৈ লওক। এতিয়া কিয় কবলৈ নাপাম ?

Mr. Speaker • That was before the reply. After the reply I cannot.

শ্ৰীসোনেশ্বৰ বৰা : অধ্যক্ষ মহোদয়,

Mr. Speaker : I have already said that I am not going to allow any discussion. It is my decision.

শ্ৰীদুলাল বৰুৱা : ডাঃ কোষেশ্বৰ বৰাই অংশ গ্ৰহণ কৰিব, আমি চৰকাৰৰ অগণতান্ত্ৰিক মনোভাবৰ কাৰণে আমি বাহিৰলৈ গৈছো।

Mr. Speaker : Next Item, item No. 4. Dr. Kosheswar Bora. (At this stage, Opposition Members excepting Dr. Kosheswar Bora,

Shri Janaki Nath Handique, Shri Promode Chandra Gogoi, Shri Giasuddin Ahmed walked out of the House in protest.)

(Mr. Speaker left the Chair and Mr. Deputy Speaker occupied the same).

## General Discussion on the Budget

ডঃ কোষেশ্বৰ বৰা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয় ১৯৭৫-৭৬ চনৰ কাৰণে যি বিত্তীয় বিবৰণী দাঙি ধৰিছে এই বিবৰণীৰ দ্বাৰা সৰ্ব্বসাধাৰণ ৰাইজৰ, মজদুৰৰ বা দেশৰ কোনো এটা উন্নতি মুলক কামৰ ইঙ্গিত দেখা নাপালো। এই বাজেটত অকল চাকৰিয়াল সকলৰ উন্নতিৰ কথা দেখিছো। ৰাজ্যখনৰ জনমূৰি আয় যিটো দেখুৱাইছে ই আগতকৈ বঢ়া নাই বৰঞ্চ কমিছে। যদি জনমুৰী আয় নাবাঢ়ে তেতিয়া হলে দেশৰ কেতিয়াও উন্নতি হব নোৱাৰে। খাদ্য উতপাদনৰ ক্ষেত্ৰত যোৱা তিনিবছৰে যিটো দেখুৱাইছে সেইটোতো কম বেচি পৰিমাণে প্ৰায় সমানেই আছে, বঢ়া নাই। যোৱা তিনিবছৰে কৃষক বা এজন খেতিয়কক এবিঘা মাটিও কতো চৰকাৰে দিব পৰা নাই। বৰঞ্চ ৰায়তক চাহ বাগানৰ মালিক সকলে বা মাটিৰ মালিক সকলে আনকি চৰকাৰে উচ্ছেদহে কৰিছে মাটি দিয়াৰ পৰিবৰ্ত্তে। চাহ বাগানৰ বনুৱা সকলক বিশেষকৈ বৃটিচ মালিক সকলৰ দিনতকৈ বৰ্ত্তমান দেশীয় মালিক সকলে এনে উতপীড়ন কৰিছে—কামৰ পৰা খেদিছে বা যি ধৰণে সা-সুবিধা দিব লাগিছিল সেই সুবিধা নিদি বঞ্চিত কৰা দেখা পাইছো। চাহৰ আয় আৰু চাহ বাগানৰ খেতি কৰা মাটি আগতকৈ বাঢ়িছে। আনহাতে বনুৱাৰ সংখ্যা আছিল ৫ লাখ ৮ হাজাৰ ১৭৫ জন, তাৰ ঠাইত এতিয়া ৪ লাখ ৯ হাজাৰ ১১৬ জনলৈ কমিছে। গতিকে এইবোৰ পৰিপ্ৰেক্ষিত আমি দেখিছো ক্ৰমম্বয়ে দেশৰ উন্নতিৰ ঠাইত অধঃনতিৰ ফালেহে বেচি ধাল খাইছে। এই কথা বিত্তীয় বাজেটত জল জল পট পটকৈ ওলাই পৰিছে। গাৱৰ ক্ষেত্ৰত জলসিঞ্চনৰ শিতানত ২৫ হাজাৰ গাৱৰ ভিতৰত মাত্ৰ ২ হাজাৰ খনত জলসিঞ্চনৰ ব্যৱস্থা কৰিছে তাকো সম্পূৰ্ণ হিচাবে জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা নাই। আম্মাৰ দেশৰ জলসিঞ্চনৰ ব্যৱস্থা প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি থাকিব লগা হয়। যদি বাৰিষা পানী নহয়, নৈ বোৰত

পানী নহয় তেতিয়া হলে জলসিঞ্চনৰ ওপৰত নির্ভৰ কৰি খেতিয়ক সকলে খেতিৰ আশা কৰিব নোৱাৰে। গতিকে আমি দেখিছো যি ধৰণে প্রকল্প কৰিছে তাৰ দ্বাৰা জনসাধাৰণ বা দেশক উন্নতিমুখী কৰাৰ কোনো প্রকল্প নাই। আনহাতে আমি দেখিছো যোৱা ২৮ বছৰৰ ভিতৰত সকলো নহলেও সৰহ সংখ্যক চাকৰিয়াল উন্নতি মুখী হৈছে। স্বাধীন দেশৰ নাগৰিক হিচাবে জীৱন যাপন কৰিবলৈ যিখিনি সুবিধাৰ প্রয়োজন সকলো বিলাক পাইছে। কিন্তু আমি বক্তৃতাত কৈ থাকো খেতিয়ক সকলে মজদুৰ সকলে দেশৰ ধৰণি।

কিন্তু এই খেতিয়ক আৰু মজদুৰ সকলৰ কাৰণে বিশেষ একো চিন্তা কৰা দেখা নাই। জলসিঞ্চনত এটা কথা লিখিছে এই বছৰ প্রায় ৫৯ হেজাৰ হেকটাৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰাটো চিন্তা কৰা হৈছে। চিন্তা কৰিছে বুলিলে জলসিঞ্চন হব বুলি ভাবিব নোৱাৰি কাৰণ এই ২৮ বছৰে চিন্তা কৰি থাকোতেই গ'ল। গছ গছনি ৰক্ষা কৰাৰ ক্ষেত্রত লিখিছে যোৱা ১.১ লাখ হেকটাৰ মাটি ৰক্ষা কৰা হৈছে আৰু এই বছৰ ২ লাখ হেকটাৰ মাটিৰ গছ-গছনি ৰক্ষা কৰিব পৰা যাব বুলি কৈছে। কত গছ-গছনি ৰক্ষা কৰিছে কব নোৱাৰো। আমি দেখাত কৃষি নিগম পাতি হাজাৰ হাজাৰ মূল্যবান গছ-গছনি কাটি খাস্তাং কৰিছে। গহপুৰ বনাঞ্চলত ৫ হাজাৰ বিঘা মাটি এটা নিগম পাতিছে। বহুত মূল্যবান গছ-গছনি কাটি খাস্তাং কৰি এই নিগম পতা হৈছে। এতিয়া আধা মাটি আছে যিবিলাকৰ গছ গছনি কাটিব পৰা নাই। এই নিগমৰ জৰিয়তে গছ-গছনি কাটি এটা বেপাৰৰ সৃষ্টি কৰিছে যাৰ ফলত চৰকাৰৰ ৰয়েলটি হেৰাব লগা হৈছে। গছ গছনি পৰিস্কাৰ নকৰি যেনে ধৰণে সভ্যসকলৰ জৰিয়তে নিগম পতাৰ কথা ঘোষনা কৰিছিল সেই মতে এতিয়াও কৰিব পৰা নাই। ভালুকপুংত এই ধৰণে মূল্যবান গছ গছনি কাটি নিগম কৰিবলৈ চেষ্টা কৰা হৈছে। এইদৰে গছ-গছনি কাটি খাস্তাং কৰি বনজ সম্পদ নষ্ট কৰাৰ প্রয়াস কৰিছে। গহপুৰ নিগমত যি সকলে তাত বেদখল কৰি বাসবাস কৰিছিল সেই সকলক নিগমৰ সভ্য কৰি ললে। গতিকে চৰকাৰে ইয়াৰ দ্বাৰা বেদখলকাৰীক ইন্ধন যোগাইছে। হাজাৰ হাজাৰ বেদখল কাৰীয়ে গছ-গছনি কাটি খাস্তাং কৰিছে নিগমৰ বাহিৰত, অথচ চৰকাৰে নীৰব। এই বেদখল কাৰী বিলাকক নিগমৰ সভ্য কৰি নললে এইদৰে গছ-গছনি

খাস্তাং নহলহেতেন এই সকলৰ দ্বাৰা মূল্যবান বনজ সম্পদ ধ্বংস হোৱাৰ প্ৰয়াস পাইছে সেই কাৰণে চৰকাৰে বেদখল কৰা বিষয়ত নিজে ইন্ধন যোগাইছে।

জলসিঞ্চনৰ ক্ষেত্ৰত মোৰ এটা পৰামৰ্শ আছে। এই বিষয়ে মই আগতেও কৈছো আৰু এতিয়াও কওঁ যে আমাৰ জলসিঞ্চন ব্যৱস্থাটো নিৰ্ভৰ কৰিছে প্ৰকৃতিৰ ওপৰত, কাৰণ বাৰিষাৰ বাহিৰে আন সময়ত জলসিঞ্চন দিয়া সম্ভৱ নহয়। জলসিঞ্চন ব্যৱস্থাৰ কাৰণে যিবিলাক নলী নাদ, দোং আদি খন্দা হৈছে আৰু এইবিলাকৰ কাৰণে যিবিলাক প্ৰজেক্ট লোৱা হৈছে সেই বিলাকত অন্ততঃ একোটাকৈ দিপ টিউবওৱেল বিজুলী পাম্প চলিত অৱস্থাৰে কৰিব পৰা যায় তেতিয়া হলে বাৰমাহ জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা হব আৰু তাৰ পৰা ৰাইজ উপকৃত হব। ইয়াৰ বাবে যি খিনি টকাৰ দৰকাৰ হব অন্য ফালৰ পৰা টকা পইচা কাটি আনি হলেও এই আঁচনি যদি কৰিব পৰা হয় তেনেহলে ভাল হব বুলি মই ভাবিছে।

তাৰোপৰি, আমাৰ অঞ্চলত দুটা প্ৰজেক্ট আছিল, এটা বৰগাং জলসিঞ্চন প্ৰজেক্ট সেইটো চাৰি বছৰৰ আগতে হল সকলো কাম হোৱা স্বত্বেও বিজুলি যোগানৰ হেমাহিৰ কাৰণে আজিও তাৰ পৰা কাম কৰিব পৰা নাই। আনহাতে ৰাইজেও তাৰ কাৰণে বহুখিনি মাটি নিজৰ অসুবিধা স্বত্বেও দিলে। কিন্তু চৰকাৰে পানী যোগান ধৰিব পৰা নাই। আন এটা প্ৰজেক্ট মহজুলিত আছে সেইটোও চাৰি পাঁচ বছৰৰ আগতে হল, এতিয়ালৈকে জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা নাই। যদি এই আঁচনিবোৰ ভাল ধৰণেৰে কৰি কামত খটুৱাব নোৱাৰে তেন্তে ইয়াত খৰছ কৰা টকা পইচাবোৰ আন ঠাইত খৰছ কৰাই ভাল হব। চৰকাৰে জলসিঞ্চন বিভাগৰ প্ৰতি বিশেষ মনোযোগ দি এই প্ৰকল্প সোনকালে কাৰ্য্যকৰী কৰিব বুলি মোৰ আশা।

সমুহীয়া উন্নয়ন খণ্ডৰ এটা কথা ইয়াত লিখিছে, সমুহীয়া উন্নয়ন খণ্ড সমূহৰ কাম কাজ সন্তোষজনক ভাবে চলি আছে আৰু এই বছৰটোত ১৬ টা উন্নয়ন খণ্ডত ব্যৱহাৰিক পুষ্টিসাধন আঁচনিৰ কাম চলি আছে। ১৯৭০-৭১ চনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰবৰ্ত্তন কৰা পুষ্টিসাধন খণ্ড আঁচনিৰ আৱশ্যকীয় ব্যয় ভৈয়ামৰ জিলা কেইখনত চলিত বছৰৰ পৰা আমাৰ

দ্বাৰা বহন কৰা হৈছে। এই আঁচনিৰ উদ্দেশ্য হ'ল উঠি অহা ল'ৰা-ছোৱালীৰ আৰু সন্তান সম্ভৱা মহিলাক পুষ্টিকৰ আহাৰৰ যোগান দি পুষ্টি-হীনতা দূৰ কৰা। উদ্দেশ্যটো মহান আৰু ভাল। কিন্তু কথা হৈছে কেনে-কুৱা ধৰণেৰে কাৰ্য্যকৰী কৰিবলৈ বিচৰা হৈছে সেইটো বিশ্লেষণ কৰি চাব লাগিব। মই দেখিছো এই ১৬টা খণ্ডৰ (আন ঠাইৰ কথা মই নাজানো), আমাৰ অঞ্চলৰ কথাটোহে মই উল্লেখ কৰিছো। তাত এমাহ বা দুমাহৰ পিচত ব্লক অফিচাৰে একোগৰাকী গ্ৰাম সেৱিকাক লগত লৈ কেতিয়াবা পাউদাৰ গাখীৰ, কেতিয়াবা খিচিৰি আৰু কেতিয়াবা অকণমান ক্ষীৰ খাবলৈ দিয়ে। ইয়াৰ পৰা গৰ্ভৱতী নাৰী আৰু শিশু সকলে কোনেও শক্তি পোৱা নাই। বিষয়া সকলে খাই মেলি কিছুমান হিচাব দি পঠায়। ইয়াৰ পৰিণামত মিছাকৈ কিছুমান অপচয় হৈছে। গাওঁ অঞ্চলত বিশেষকৈ পিচপৰা অনুন্নত সম্প্ৰদায়ৰ মাজত, বিশেষভাবে গৰ্ভৱতী নাৰী আৰু শিশুৰ তেজহীনতা দেখা পোৱা গৈছে। বিশেষকৈ আন আন দেশৰ তুলনাত আমাৰ দেশৰ গৰ্ভৱতী নাৰীৰ তেজহীনতা বেছি। তাৰ ভিতৰত অসমত আৰু বেছি। সন্তান সম্ভৱা মহিলাৰ পুষ্টিহীনতা দূৰ কৰিবলৈ পুষ্টিকৰ আহাৰৰ যোগান ধৰাটো ভাল কথা। কিন্তু সেই আঁচনি আচলতে কাৰ্য্যকৰী হোৱা নাই আৰু তেনে ধৰণৰ বিতৰণো হোৱা নাই। এইখিনিতে মোৰ এটা পৰামৰ্শ আছে, এই আঁচনিৰ ভাৰটো খণ্ড উন্নয়ন বিষয়াক নিদি হস্পিতালৰ যোগেদি দিয়াৰ ব্যৱস্থা কৰিব লাগে। মোৰ আন এটা পৰামৰ্শ হ'ল এই যে আমাৰ দেশৰ গৰ্ভৱতী মাইলাৰ চেক-আপ কৰাৰ ব্যৱস্থা (যিটো আমাৰ দেশত কৰা নহয়, কিন্তু পৰিয়াল পৰিকল্পনাত হে বেছি জোৰ দিয়া হৈছে) কৰাব লাগে। গৰ্ভৱতী নাৰীৰ চেক-আপ কৰাৰ ব্যৱস্থা বাধ্য বাধকতামূলক কৰিব লাগে আৰু এই ব্যৱস্থা কৰোতে প্ৰাথমিক চিকিৎসা হস্পিতালৰ পৰা দিয়া ব্যৱস্থা কৰিব লাগে—এই পৰামৰ্শ মই আগবঢ়াইছো। বেবী ফুদৰ ক্ষেত্ৰত আমাৰ অসমত বিশেষকৈ যিবিলাক বেবী আছে সেইবিলাকৰ শতকৰা আশীজনেই মাকৰ গাখীৰৰ বাহিৰে আন গাখীৰ খাবলৈতো নাপায়েই দেখিবলৈ পোৱাৰো ভাগ্যত নঘটে। সেই কাৰণে আমাৰ ভবিষ্যতৰ বংশধৰ আৰু দেশৰ নাগৰিক সকলৰ স্বাস্থ্য বেয়া। বেবীফুড মাত্ৰ আমাৰ টাউনবোৰতহে যোগান ধৰা হয়, যেন টাউনৰ ল'ৰা-ছোৱালী বোৰেইহে আচল শিশু

গাৱঁত বা চাহবাগানত থকাবোৰ নহয়। টাউনকৈ গাৱঁৰ আৰু চাহবাগানৰ ল'ৰা-ছোৱালীক বেছিকৈ বেবীফুড আৰু সাধাৰণ ভেকচিন দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি মোৰ অনুৰোধ আৰু আজি গাওঁ আৰু চাহ বাগিচাৰ গৰ্ভৱতী নাৰী আৰু শিশুৰ মাজত আজি ভয়ানক অৱস্থাই দেখা দিছে। কাৰণ আমি জানো এই অঞ্চলৰ সৰহ সংখ্যক মহিলা আৰু পুৰুষৰ তেজৰ হিচাব শতকৰা ২০। ৩০তকৈ বেছি নাথাকে। গতিকে মজদুৰ সকলৰ ভিতৰত এই আঁচনিখন বেছি ধৰণেৰে প্ৰচলন কৰি তাক কৃতকাৰ্য্য কৰিব বুলি আশা ৰাখিলো, কাৰণ দেখা যায় মজদুৰ সকল আৰু চাহবাগানৰ বনুৱা সকল দিনে দিনে নিশকটীয়া হৈ আহিছে। পুষ্টিহীনতাৰ কাৰণে কাম কৰিব নোৱাৰা হৈ পৰিছে।

ৰেচম আৰু বয়ন বিভাগ,—ৰেচম আৰু বয়ন বিভাগে মুঠ ২৭৭০ একৰ সংৰক্ষিত গ্ৰাম্য চৰণীয়া পথাৰত মুগা পোহা গছ ৰুবলৈ আঁচনি হাতত লৈছে আৰু ইতিমধ্যে তাৰে দুই তৃতীয়াংশ অঞ্চলত গছ পুলি ৰোৱা হৈছে। এনেকৈ চৰণীয়া পথাৰ বিশেষকৈ গোপচাৰ বিলাকত ৰেচম বা মুগা পোহা কাম কৰি বহু মাটি নষ্ট কৰিছে। তাৰোপৰি যোৱা ২৭ বছৰৰ ভিতৰত চৰকাৰী ঘৰ-দুৱাৰ সজা পঞ্চায়ত ব্লক সাজি বহু মাটি চৰকাৰে অধিগ্ৰহণ কৰিছে আৰু গড়কাপ্তানি বিভাগে বহু ঘৰ-দুৱাৰ সাজি গোপচাৰৰ মাটি চৰকাৰে লৈছে।

এনেকুৱা বহুতো মাটি ভূমিহীন কৃষকৰ মাজত বিতৰণ কৰিব পাৰিলেহেঁতেন কিন্তু কৃষকক এতিয়ালৈকে যি ধৰণে মাটি বিতৰণ কৰিব লাগিছিল সেই ধৰণে নিদিলে। আনহাতেদি ফাৰ্ম্ম চৰণীয়া পথাৰ আৰু গোপচাৰ কৰোতে আমি দেখা মতে উত্তৰ অঞ্চলৰ বেছি ভাগ ঠাইত বেদখলকাৰীয়ে সেই সুযোগতে সোমাই পৰিছে। তাৰোপৰি আমাৰ যিবিলাক ফৰেষ্ট ভিলেইজ আছে সেইবোৰৰ কাষৰে-পাজৰে বহুত মাটি পৰি আছে সেইবোৰতো বেদখলকাৰী সোমাই পৰিছে আৰু সেই মাটি দখল কৰি পেলাইছে আৰু ফৰেষ্ট ৰিজাৰ্ভৰ কাষৰে-পাজৰে থকা হাবি জংঘল বোৰত বেদখল কৰি তাত খেতি বাতি আৰম্ভ কৰি দিছে, গতিকে সেই অঞ্চল

বোৰ মুগা পোহা ফাৰ্ম কৰিব লাগে, গোপচাৰ বোৰ মাটিহীন খেতিয়কক মাটি বিতৰণ কৰি খেতি কৰিবলৈ দিব লাগে।

তাৰোপৰি আমাৰ আজি যিবিলাক ফৰেষ্ট আছে সেইবিলাকত থকা ফৰেষ্ট গাৰ্ডবিলাকে নানা ধৰণে দুৰ্নীতিমূলক কাম কৰি থকা দেখা যায়. তেওঁলোকৰ সুবিধা লৈয়েই কিছুমান সুবিধাবাদী লোকে ফৰেষ্ট বিলাকৰ পৰা নানা ধৰণৰ মূল্যবান কাঠ ইত্যাদি কিনি লৈছে, এই ফৰেষ্ট গাৰ্ডবিলাকে মনে মনে মূল্যবান কাঠ বিক্ৰী কৰি মুনাফা খাইছে ফলত সেই ফৰেষ্ট বিলাকৰ পৰা চৰকাৰৰ নানা ধৰণে লোকচান হৈছে, চৰকাৰৰ হাতলৈ কোনো পইচা অহা নাই আৰু চৰকাৰ উপকৃত হব পৰা নাই। তেওঁলোকে এই দৰে চৰকাৰৰ ঘৰৰ পৰা টকা পইচা ঘটিছে। গতিকে এনে ধৰণৰ যিবিলাক দুৰ্নীতিমূলক কাৰ্য্য চলি আছে সেইবিলাক অতি সতৰ্কতাৰে দৃষ্টি দিব লাগে আৰু তাক সমূলঞ্চে দূৰ কৰাৰ কাৰণে চেষ্টা কৰিব লাগে।

তাৰ পিছত জনস্বাস্থ্যৰ ক্ষেত্ৰত দেখা যায় যি ধৰণে এই বিভাগে জনস্বাস্থ্যৰ কাম কাজ কৰিব লাগিছিল সেই ধৰণে কৰা নাই কিয়নো বসন্ত বা মহামাৰী দূৰীকৰণৰ কাৰণে যি ধৰণে কাৰ্য্যকৰী ব্যৱস্থা হাতত লব লাগিছিল সেই মতে কোনো কামেই হাতত লোৱা নাই। এই বছৰেই তাত মহামাৰী ৰূপে বসন্তই দেখা দিছে আৰু যথেষ্ট মানুহ মহামাৰীৰ আক্ৰান্তত পৰিছে আৰু ইতিমধ্যে ৫ জনৰ মৃত্যুয়ো হৈছে অথচ বাজেটত কৈছে যে বসন্ত নিৰ্ম্মুলকৰণৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা হৈছে। কিন্তু প্ৰকৃততে তেনে ধৰণৰ কোনো ব্যৱস্থা হাতত লোৱা নাই, বিশ্বনাথৰ ওচৰতেই বসন্ত বেমাৰত বহুতো লোকক আক্ৰান্ত কৰিছে।

শিক্ষাৰ ক্ষেত্ৰত যিটো সংবিধানত দিয়া হৈছিল আৰু সংবিধানত গ্ৰহণ কৰাৰ ১০ বছৰৰ পাচতে এই সংখ্যক নিৰক্ষৰ আমাৰ ৰাজ্যত আছে সেইটো দূৰ কৰিব পাৰিছে জানো, আজি ১০ বছৰ কিয় তেনে ক'ত বছৰ পাৰ হৈ গল নিৰক্ষতা দূৰিকৰণ কৰিব পাৰিছে জানো? তাৰ ঠাইত আমি বাস্তৱত যি দেখিছোঁ আজি ৰাইজে বহু কষ্ট কৰি স্থাপন কৰা স্কুল কলেজবোৰৰ কাৰণেও চেংশ্যন ইত্যাদি দিওতে নানা ধৰণৰ অস্বভাৱিক পলম কৰা

দেখা যায় ফলত বহু সময়ত ৰাইজৰ মনত হতাশাৰ ভাৱ আহি পৰে। শিক্ষাৰ ক্ষেত্ৰত এটা কথা বাজেটত লিখিছে—চাহ বাগিছাৰ প্ৰাক্তন বনুৱা আৰু প্ৰাপ্ত বয়স্ক বনুৱা সকলৰ মাজৰ পৰা নিৰক্ষৰতা দূৰিকৰণৰ বাবে চাহ বাগিছাবোৰত সমূহীয়া শিক্ষা অভিযান চলোৱাৰ কথা চৰকাৰৰ বিবেচনাধীন। কিন্তু আনহাতেদি দেখা গৈছে যে আজি যিবিলাক বাগানৰ মালিক আৰু মেনেজাৰ আছে সেই সকলে চাহ বাগানৰ যি বিলাক শ্ৰমিক আছে সেই সকলৰ শিক্ষাৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। আনকি চাহ-বাগানৰ চেক্ৰেটাৰী বা আই, এন, টি, উ, চিৰেই হওক তেওঁলোকে কোনো গুৰুত্ব সহকাৰে এই বিলাক কথা বিবেচনা কৰা দেখা নাযায়। ইয়াৰ প্ৰধান কাৰণ হ'ল যদি সেই চাহবাগানৰ শ্ৰমিকৰ লৰা-ছোৱালী বিলাক যদি শিক্ষিত হৈ পৰে তেতিয়া হয়তো তেওঁলোকে তেওঁলোকৰ নেতা বা লিডাৰ সকলক নামানিব পাৰো। সেই কাৰণে ভয়তে চাপৰেচ কৰি ৰাখিবলৈ চেষ্টা কৰে। তাৰোপৰি সেই স্কুল বিলাক কোনো ধৰণৰ পৰিদৰ্শন কৰিবলৈও যোৱা দেখা নাযায়, দি, আইয়েই হওক বা বোৰ্ডেয়েই হওক এই সকলে চাহবাগানৰ স্কুল-বিলাকৰ প্ৰতি বিশেষ নজৰ নিদিয়ে। তাত কেৱল মেট্ৰিক ফেল বা আন্দাৰ মেট্ৰিক শিক্ষক নিযুক্তি দিয়ে। আনহাতেদি প্ৰাক প্ৰাইমাৰী স্কুলৰ কাৰণে যোৱা বছৰ যিটো প্ৰচেষ্টা চলিছিল সেই প্ৰচেষ্টা আমি দেখাত বৰ্ত্তমান কাৰ্য্যকৰী নহল।

এই আঁচনি লোৱাৰ লগে লগে এখন নহলেও ১০।১২ খন স্কুলক প্ৰি-প্ৰাথমিক স্তৰলৈ নি তাত নিয়োগ কৰিবৰ কাৰণে শিক্ষক-শিক্ষয়ত্ৰীক উপযুক্ত কৰি তুলিবৰ কাৰণে ব্যৱস্থা চৰকাৰে কৰিব লাগিছিল। এখনৰ ওপৰত নিৰ্ভৰ কৰিয়েই কিমান বছৰৰ মূৰত চৰকাৰে নিজা লক্ষত উপনীত হবগৈ? গতিকেই যোৱা ২৮ বছৰে অস্থিৰ শিক্ষা-নীতিৰে খেলি-মেলি লগাই থকাৰ কাৰণেই প্ৰকৃত শিক্ষা আমাৰ দেশত গঢ়ি উঠা নাই। শিক্ষাৰ এনেবোৰ দোষৰ কাৰণেই আমাৰ দেশত আজি অৰাজকতা নামিছে। স্বাধীন দেশৰ নাগৰিক হিচাবে যি জাতীয় আৰু নৈতিক চৰিত্ৰ গঢ়ি উঠিব লাগিছিল সেই চৰিত্ৰ আমাৰ দেশৰ নাগৰিকৰ আজি একেবাৰেই গঢ়ি উঠা নাই। বৃটিছ চৰকাৰৰ দিনৰে পৰা কেৰাণী মহৰী কৰিবৰ কাৰণেহে

শিক্ষা দি অহা হৈছে সেই কাৰণেই আজি আমাৰ দেশৰ নাগৰিকৰ মনত নিজৰ দেশক ভাল পাবলৈ দেশত্ববোধ জাগি উঠা নাই, দুৰনীতিৰ কলাডাৱঁৰে গোটেই দেশত ছাঁ আৱৰি ধৰিছে। আনকি জাতীয় চৰিত্ৰ হীন হোৱাৰ কাৰণেই আজি শ্ৰীবিশ্ব গোস্বামীৰ নিছিনা এজন জননেতাকো অকাৰণতে গ্ৰেপ্তাৰ কৰি অত্যাচাৰ কৰাৰ প্ৰয়াস পাইছে। জাতীয় চৰিত্ৰ অটুত থকা হলে কেতিয়াও এনে নহলহেঁতেন। জাতীয় চৰিত্ৰৰ অবনতি হোৱাৰ কাৰণেই আজি কি সমবায় আন্দোলনেই বোলক বা অন্য বিলাক আন্দোলনেই বোলক সকলো বিলাকতে দুৰ্নীতি কৰি ৰাজহুৱা টকা পইছা আত্মসাৎ কৰিছে। জাতীয় আৰু নৈতিক চৰিত্ৰ অধঃপতিত নোহোৱা হলে আজি দেশৰ বিভিন্ন শিতানত নানান 'অনুসন্ধান কমিটি' আদি পাতি দিব লগা নহলহেতেন। পৃথিবীৰ অন্য সভ্যদেশ বিলাকৰ নাগৰিকৰ লগত আমাৰ দেশৰ নাগৰিকৰ আকাশ-পাতাল পাৰ্থক্য। সেয়েহে বিদেশত খেলিবলৈ যোৱা আমাৰ দেশৰ খেলুৱে মোজা চোৰ কৰাৰ নিছিনা নিকৃষ্ট উদাহৰণ আৰু অসংখ্য আছে। পৰম্পৰাগত ভাৱে বৃটিছৰ যুগৰে পৰা চলি অহা শিক্ষাব্যৱস্থাকে মাজে মাজে নানান ৰং ৰহন সানি আমাৰ দেশত প্ৰৱৰ্ত্তন কৰি থকা হৈছে, তাৰ যদি কোনো আমূল পৰিবৰ্ত্তন কৰিব নোৱাৰে তেতিয়াহলে, কেতিয়াও আমাৰ দেশৰ নাগৰিকৰ এখন স্বাধীন দেশৰ নাগৰিক হিচাবে উচ্চ নৈতিক আৰু জাতীয় চৰিত্ৰ গঢ়ি উঠিব নোৱাৰে, আৰু দেশখনো কেতিয়াও প্ৰগতিৰ পথত আগুৱাব নোৱাৰিব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীগোলাপ বৰুৱা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৫-৭৬ চনৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰীয়ে যিখন বাজেট সদনৰ আগত দাঙি ধৰিছে তাৰ সমৰ্থনত মই কেইআশাৰমান কথা কম বুলি ঠিয় হৈছো।

যোৱা বছৰ ইমান এটা গুৰুত্বপূৰ্ণ বছৰ পাৰ হৈ যোৱাৰ পিছতো আৰু এটাৰ পিছত এটাকৈ প্ৰলয়ংকৰী বানপানীয়ে গোটেই প্ৰদেশ খনকে জুৰুলা কৰি যোৱাৰ পিছতো মুখ্যমন্ত্ৰীয়ে আজি অসমৰ ৰাইজৰ আগত এখন কৰবিহীন বাজেট দাঙি ধৰাৰ কাৰণে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আমাৰ ৰাজ্যৰ বিভিন্ন শিতানত যিবিলাক উপাৰ্জ্জন হয় তাৰ অধিকাংশই আমি আমাৰ চৰকাৰী

কৰ্ম্মচাৰী সকলৰ ওপৰতে খৰছ কৰিবলগীয়া হয়। আমি আমাৰ জনসাধাৰণৰ মঙ্গল তথা উন্নয়নৰ কাৰণে যদি পৰিকল্পনাৰ ধন নেপালোহেঁতেন তেতিয়াহলে, আমি হয়তো আমাৰ প্ৰদেশখনৰ প্ৰধান প্ৰধান সমস্যা সমূহ যেনে উৎপাদন, যাতায়ত, চিকিৎসা, যোগান বা তেনেকুৱা ধৰণৰ কাম বিলাকত কেতিয়াও আমি একোৱেই কৰিব নোৱাৰিলোহেঁতেন। ৰাজ্যখনৰ সমুদায় উপাৰ্জ্জন আমি অকল দৰ্ম্মহাৰ কাৰণেই খৰছ কৰিব লগীয়া হোৱাৰ কাৰণে আমাৰ অন্যান্য মূল সমস্যা বিলাকৰ কাৰণে আমাৰ আৰু টকা লাগিব। আজি আমাৰ বিত্তমন্ত্ৰীয়ে কৃষিকে আদি কৰি কেনেকৈ উৎপাদন বঢ়াব পাৰি তাৰ কাৰণে চেষ্টা কৰিছে। কৃষি, শিল্প-উদ্যোগ, খনি আদি সকলো ক্ষেত্ৰতে যদি উৎপাদন বঢ়াব পাৰো তেতিয়াহলে, সেই উৎপাদনৰ জৰিয়তে আমাৰ দেশৰ সমস্যা সমূহ সমাধান কৰাত সহায়ক হব। সেইকাৰণেই মই আশাকৰিছোঁ যে, আমাৰ পৰিকল্পনাসমূহত লোৱা আঁচনি বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে চৰকাৰ, ৰাইজ তথা চৰকাৰী বিষয়া সকলৰ ঐকান্তিক প্ৰচেষ্টা আৰু একাগ্ৰতাৰ নিতান্তই প্ৰয়োজন আৰু সহায়ক হব। আমি দেখা পাইছো যে, আগতে প্ৰকল্প লোৱা হৈছে আৰু আঁচনিৰ মাজেদি সেই প্ৰকল্প বিলাক বাস্তৱত ৰূপ দিবলৈ যাওঁতে আমি কিছুমান বাধা পাইছোঁ। সেইবিলাক বাধা দূৰীভূত কৰিবৰ কাৰণে আমাৰ সকলোৰে উমৈহতীয়া স্বাৰ্থ আৰু কৰণীয় আছে। তাত সকলোৰে সহযোগৰ আৱশ্যক। সেই আঁচনিবিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত সকলোৰে সহায়-সহযোগ নেথাকিলে আমাৰ প্ৰদেশৰ উৎপাদনত বাধা পৰিব। প্ৰদেশৰ সকলো খিনিয়েই সমাজৰ মানুহ। সকলোখিনি সামাজিক লোকে যদি প্ৰদেশ খনৰ উন্নতিৰ কাৰণে হাত উজান নিদিও তেতিয়াহলে আমাৰ মূল সমস্যাবিলাক সমস্যা হৈয়েই থাকিব, আমি সেইবিলাক সমাধান কৰাত বহুখিনি পিছপৰি যাম। বিৰোধী পক্ষৰ বক্তৃতাত প্ৰায়েই অমুকটো হোৱা নাই, তমুকটো হোৱা নাই ইত্যাদি কথা শুনিবলৈ পোৱা যায়। কিন্তু এই সমস্যা-বিলাক সমাধান কৰিবলৈ তেখেত সকলৰো জানো দায়িত্ব নাই? নিজা নিজা অঞ্চলৰ ৰাইজক এই আঁচনিবোৰ কৃতকাৰ্য্য কৰি তুলিবৰ কাৰণে উদগনি দিবলৈ এই প্ৰতিনিধি সকলে চেষ্টা কৰিছে জানো? অৱশ্যে এই কথাও স্বীকাৰ কৰিব লাগিব যে, আমাৰ চৰকাৰী কিছুমান বিষয়াৰ গাফিলতিৰ কাৰণেও এইবিলাকৰ বাস্তৱৰূপ দিয়াত আমি বাধা পাইছোঁ। এইবিলাক

বিষয়ত সহায় সহযোগ আগনবঢ়োৱাৰ কাৰণে যি ব্যৰ্থতা হৈছে সেইকাৰণেই বহুত সময়ত চৰকাৰৰ ওপৰত অসন্তুষ্ট হোৱাতো স্বাভাবিক। আমি সদায়েই কৈ আহিছোঁ যে, ব্ৰহ্মপুত্ৰ বান্ধৰ যিখন আঁচনি কৰি ৰাইজৰ মাটি অধিগ্ৰহণ কৰিলে, অধিগ্ৰহণ কৰি মঠাউৰি কৰিলে আৰু বহুত ঠাইত সেই মঠাউৰিয়ে ৰাইজক বিপদতো পেলালে। কিন্তু অধিগ্ৰহণৰ কাৰণে ৰাইজে যিখিনি প্ৰাপ্য ধন পাব লাগিছিল সেই ধন আজিও পোৱা নাই। ১৯৫৫ চনৰ পৰা ১৯৭৫ চন পালেহি। ৰাইজে চৰকাৰৰ ওচৰত সদায়েই আবেদন-নিবেদন কৰি আহিছে যদিও চৰকাৰে এই কথাটোৰ ওপৰত আজিও কোনো খাটাং সিদ্ধান্ত লব পৰা নাই।

## ADJOURNMENT

Mr. Deputy Speaker : আপুনি আৰু পিচত কব। The House stands adjourned till 10 a.m. tomorrow the 8th March.

The House then adjourned at 11.30 A.M.

Dispur.
7/3/75.

P. D. Barua
Secretary Legislative Assembly.